অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং : ৪০৮
উত্তৰ দানৰ তাৰিখ : ২২/০৭/২০২৬
*বিষয়ঃ* **"শীতল ঘৰ" (COLD STORAGE HOUSE)**
বিধায়কৰ নাম : শ্ৰী মজিবুৰ ৰহমানঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

দলগাঁও বিধানসভাৰ অন্তৰ্গত নিজ খাৰুপেটিয়াত অসম চৰকাৰে ৰাজকোষৰ কেইবা কোটি টকা খৰচ কৰি নিৰ্মাণ কৰা শীত-তাপ নিয়ন্ত্ৰিত "শীতল ঘৰ" (COLD STORAGE HOUSE) টো কিহৰ কাৰণে কোনো নিবিদা সংগ্ৰহ নকৰি পৰিত্যক্ত অৱস্থাত পেলাই থৈছে ? অসম চৰকাৰে উক্ত শীতল ঘৰটো কৃষক সকলৰ উপকাৰ হোৱাকৈ কেতিয়াৰ পৰা কাৰ্য্যক্ষম কৰি তুলিব ? এই ক্ষেত্ৰত অসম চৰকাৰে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে ? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।)

## <u>উত্তৰ</u>

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব :

দলগাওঁ বিধানসভাৰ অন্তৰ্গত নিজ খাৰুপেটীয়াত থকা ৫০০০ মেট্ৰিকটন মজুত ক্ষমতা সম্পন্ন শীতল ভড়ালটো ইতিমধ্যে যোৱা ১ মে' ২০২৬ তাৰিখে অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদে চণ্ডীগড়ৰ Pushpar Warehousing and Logistic Pvt. Limited লৈ পৰিচালনা আৰু চোৱা-চিতাৰ বাবে হস্তান্তৰ কৰিছে।

*************